# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date :** 24-04-2024
**Time :** 18-00 Hrs

### ASSAMESE EVENING BULLETIN
**::::::::::::::::::::::::::::::::**

ৰাজ্যখনৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰিছে। আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলায়। এই পৰ্যায়ত ৰাজ্যৰ ৫ টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি দৰং ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ সমষ্টিটোৰ মাজবাট, কমলপুৰৰ লগতে জালুকবাৰীতো নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে মাজবাটৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প খেলপথাৰত আয়োজিত সমাবেশত দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বড়োলেণ্ডলৈ শান্তিৰ পৰিবেশ ঘুৰি আহিছে বুলি মন্তব্য কৰে। আনহাতে, অহা জুলাই মাহত ৰাজ্যখনত আৰু ৫০ হাজাৰ টা চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ডঃ শৰ্মাই লাহৰিঘাটত নগাওঁ সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে নিজ ভাষণত কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। ইপিনে, কংগ্ৰেছ দলে আজি নগাঁৱত দলৰ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈৰ সমৰ্থনত এটা ৰোড শ্ব' অনুষ্ঠিত কৰে। নগাঁওৰ ৰাজীৱ ভৱনৰ পৰা উলিওৱা এই ৰোড শ্ব'ত দলৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইন, সাংসদ গৌৰৱ গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ আৰু বিধায়ক ৰেকিবুদ্দিন আহমেদৰ লগতে ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। জিলাখনৰ ধিং ধোপৰগুৰিত আজি আন এখন প্ৰচাৰ সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু বটদ্ৰবাৰ বিধায়িকা শিৱামণি বৰাই ভাষণ দিয়ে।

ইফালে কৰিমগঞ্জত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰম্ভ কৰি ৰেলপথলৈকে সকলো দিশতে উন্নয়ন সম্ভৱ হৈ উঠিছে।

ইপিনে, নগাওঁ সংসদীয় সমষ্টিৰ অন্তৰ্গত ধিঙত আজি বিজেপিৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পিয়ুছ হাজৰিকাই সমষ্টিটোৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। এই সভাত কেইবাগৰাকীও কংগ্ৰেছ দলৰ সদস্যই বিজেপিত যোগ দিয়ে। এ.আই.ইউ.ডি. এফৰ মুৰব্বী বদৰুদ্দিন আজমল আৰু বি পি

এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়েও আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়। বি পি এফৰ মুৰব্বীগৰাকীয়ে আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ দলটোৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ হৈ তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ সুৰাগপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে, তৃতীয় পৰ্যায়ত নিৰ্বাচন হবলগীয়া ৪ টা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত প্ৰচাৰ অভিযান অব্যাহত আছে। আজি ধুবুৰী লোকসভা সমষ্টিৰ অধীনত মানকাছৰ হাতশিঙিমাৰীত অসম গণ পৰিষদ দলৰ এটা নিৰ্বাচনী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

গুৱাহাটী সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধীৰ সমৰ্থনত মন্ত্ৰী অশোক সিংহালে আজি বিয়লি এটা ৰোড শ্ব'ত অংশ লয়। আনহাতে প্ৰাৰ্থীগৰাকীয়ে আজি লোকসভা সমষ্টিটোৰ অন্তৰ্গত নিউ গুৱাহাটী বিধানসভা সমষ্টিৰ নুনমাটিত অসম গণ পৰিষদ দলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি অনুষ্ঠানত অংশ লোৱাৰ উপৰি চুনচালি আৰু নুনমাটিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে আজি সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ত পৰহিলৈ অৰ্থাৎ ২৬ এপ্ৰিলত ৫ টা সমষ্টিৰ বাবে হবলগীয়া নিৰ্বাচনৰ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। এই পৰ্যায়ত ৭৭ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। উল্লেখযোগ্য যে সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি অসমত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতাই এইবাৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰৰ উৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে। ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত এহেজাৰ ৫৫১ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে অসমত নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০

ৰাজ্যখনত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটগ্ৰহণ হ'বলগীয়া নগাঁও, বাক্সা, তামুলপুৰ জিলাত ১৪৪ ধাৰা জাৰি কৰা হৈছে। ইয়াৰ লগতে সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধৰ ঘোষণা কৰা হৈছে। ইপিনে, কামৰূপ জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশনা অনুসৰি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত আজি বিয়লি ৫ বজাৰ পৰা ২৬ এপ্ৰিলৰ বিয়লি ৫ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। একেটা নিৰ্দেশনাতে জিলা আয়ুক্তগৰাকীয়ে ভোটগণনাৰ বাবে নিৰ্ধাৰিত ৪ জুনৰ দিনটোতো ভোটগণনা সমাপ্ত নোহোৱালৈকে জিলাখনত সুৰা নিষিদ্ধ ঘোষণা কৰিছে।

০০০০

সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ডিব্ৰুগড় জিলাৰ ১১গৰাকী শিক্ষাৰ্থীক আজি ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে শিক্ষাৰ্থীসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। জিলাখনৰ বিদ্যালয় পৰিদৰ্শক ড০ সমীৰণ বৰাই আঁত ধৰা সম্বৰ্দ্ধনা অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত সংঘমিত্ৰ বৰুৱাকে ধৰি শিক্ষা বিভাগৰ অন্যান্য বিষয়ববীয়া উপস্থিত থাকে।

০০০০

শিৱসাগৰৰ যুবদল প্ৰেক্ষাগৃহত আজি জ্ঞানপীঠ বঁটা প্ৰাপক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হয়। ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী উদযাপন সমিতি, শিৱসাগৰৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ চন্দ্ৰন শৰ্মাই "বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ মন, মনন আৰু মতাদৰ্শ" শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত শিৱসাগৰ জিলাৰ কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে চমু বক্তৃতা, কবিতা আবৃত্তি, গীত-মাত আদি পৰিবেশন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ